# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-March-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
### Headlines
---------------------

১। ইৰানত সৃষ্টি হোৱা প্ৰতিকূল পৰিস্থিতিৰ বাবে ভাৰতীয় নাগৰিকসকলক জৰুৰী পৰামৰ্শৱলী মানি চলিবলৈ পশ্চিম এচিয়াৰ ভাৰতীয় দূতাবাসসমূহৰ আহ্বান।

২। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ তৎপৰতা। গোৱালপাৰাত জিলা প্ৰশাসনেৰে মুখ্য নিৰ্বাচনী আয়ুক্তৰ বৈঠক।

৩। ৰাজ্যজুৰি দৌল উৎসৱৰ ব্যাপক প্ৰস্তুতি।

**আৰু**

৪। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেটৰ আজি কলকাতাত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ খেলত ভাৰত আৰু ৱেষ্ট ইণ্ডিজ মুখামুখি।

ooooo

ইৰানত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ পৰা ৪ শতাধিক আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰাৰ লগতে সময়সূচী সালসলনি কৰা হৈছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ সূত্ৰই এই বিষয়ে প্ৰকাশ কৰি কয় যে মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইপিনে, পশ্চিম এছিয়াৰ ভাৰতীয় দূতাবাসসমূহে ভাৰতীয় নাগৰিকসকলক জৰুৰী পৰামৰ্শাৱলী মানি চলিবলৈ আহ্বান জনাইছে। ইজৰাইলস্থিত ভাৰতীয় দূতাবাসে অস্থায়ীভাৱে দেশখনত থকা ভাৰতীয় নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা পৰামৰ্শাৱলী মানি চলিবলৈ আৰু সময়মতে সাহায্য আৰু যোগাযোগ সুনিশ্চিত কৰাৰ উদ্দেশ্যে দূতাবাসৰ ৱেবচাইটত নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে।

একেদৰে তেহৰানত থকা ভাৰতীয় দূতাবাসেও ভাৰতীয় নাগৰিকসকলক সতৰ্কতা বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে। দূতাবাস কৰ্তৃপক্ষই প্ৰয়োজন নহ'লে ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ আৰু শেহতীয়া ঘটনাক্ৰমৰ বিষয়ে অৱগত হোৱাৰ বাতৰি চাই থাকিবলৈ কৈছে। আবু ধাবিত থকা ভাৰতীয় দূতাবাসেও ইউ এ ইত থকা ভাৰতীয় নাগৰিকসকলক অযথা ভ্ৰমণ এৰাই চলিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

ডোহাৰ ভাৰতীয় দূতাবাসেও অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ২৪ ঘণ্টাই খোলা থকা হেল্পলাইন নম্বৰ মুকলি কৰিছে। দেশখনত আবদ্ধ ভাৰতীয় লোকসকলে ০০৯৭৪-৫৫৬৪৭৫০২ নম্বৰত ফোন কৰি সাহায্য লাভ কৰিব পাৰিব। ডামাস্কাছত থকা ভাৰতীয় দূতাবাসে অঞ্চলটোৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই চিৰিয়াত থকা সকলো ভাৰতীয় নাগৰিকক অনাৱশ্যকীয় যাত্ৰা এৰাই চলিবলৈ, সতৰ্ক হৈ থাকিবলৈ আৰু দূতাবাস তথা চিৰিয়াৰ কৰ্তৃপক্ষই সময়ে সময়ে জাৰি কৰা সুৰক্ষা নিয়মাৱলী আৰু পৰামৰ্শৱলী মানি চলিবলৈ আহ্বান জনাইছে। বাগদাদৰ ভাৰতীয় দূতাৱাসেও

একেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। একেদৰে বাহৰেইণৰ ভাৰতীয় দূতাৱাসে ভাৰতীয় নাগৰিকসকলক সাৱধানতা অৱলম্বন কৰিবলৈ আৰু দূতাৱাস তথা স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা নিৰ্দেশাৱলী মানি চলিবলৈ আহ্বান জনাইছে।

উল্লেখযোগ্য যে ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যু হোৱা বুলি দেশখনৰ চৰকাৰী টেলিভিছনে নিশ্চিত কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি আমেৰিকা আৰু ইজৰাইলে ইৰানৰ সামৰিক আৰু চৰকাৰী স্থানসমূহক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত খামেনেইৰ মৃত্যু হয়।

ooooo

ৰাজ্যৰ মুখ্য নিৰ্বাচনী আয়ুক্ত অনুৰাগ গোৱেলে সমাগত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়াৰ সৈতে আলোচনাত মিলিত হয়। গোৱালপাৰাত উপস্থিত হৈ মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোট গ্ৰহণ কেন্দ্ৰৰ বিৱৰণ, যাতায়াত ব্যৱস্থাৰ প্ৰস্তুতি, ই ভি এমৰ সুৰক্ষা ব্যৱস্থা, ষ্ট্ৰং ৰুম, ভোট গণনা কক্ষ আদিৰ বিষয়ত জিলা প্ৰশাসনৰ পৰা খতিয়ান লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে এই সন্দৰ্ভত গোৱালপাৰা জিলা প্ৰশাসনক কেতবোৰ পৰামৰ্শ আগবঢ়ায়। এই সন্দৰ্ভত জিলাখনৰ আমাৰ সংবাদদাতা ৰছিদুল হুছেইনে এইদৰে কয়-

*(বাইট ঃ হুছেইন)*

ooooo

ৰাজ্যৰ আন প্ৰান্তৰ লগতে উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰত দৌল উৎসৱৰ ব্যাপক প্ৰস্তুতি চলিছে। কাইলৈ সন্ধিয়া ব্ৰহ্মপুত্ৰৰ পাৰত মেষদাহ পৰ্বৰে আৰম্ভ হ'বলগীয়া এই উৎসৱৰ ৬ মাৰ্চত ধৰ্মীয় শোভাযাত্ৰাৰে সামৰণি পৰিব। পূৰ্বৰ দৰে এইবেলিও দৌল গোবিন্দ মন্দিৰৰ দৌল উৎসৱত লক্ষাধিক ভক্তৰ আগমন হব বুলি মন্দিৰ পৰিচালনা সমিতিয়ে আশা প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দৌল গোবিন্দ মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক গণেশ দাসে এইদৰে কয়-

*(বাইট ঃ দাস)*

বৰপেটা সত্ৰতো ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱ অনুষ্ঠিত হ'ব। দৌল উৎসৱৰ লগত সংগতি ৰাখি আজি বৰপেটাত বিভিন্ন জাতি-জনগোষ্ঠীয়ে পৰিৱেশন কৰা হোলী গীতৰ এটা বিশাল সমদল উলিওৱা হয়।

মাজুলীৰ নগাওঁ, গোসাইবাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰীফাকুৱা দৌলত ৩ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হ'ব। উৎসৱৰ লগতে সংগতি ৰাখি পানীতোলা, গোসাই কীৰ্তন, আধ্যাত্মিক সন্মিলন, দিহা নাম, ফাকুৱা নাম, দৌল যাত্ৰা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। অন্তিম দিনা সন্ধিয়া শিশু শিল্পীসকলে ভাওনা পৰিবেশন কৰিব।

কোচ বিহাৰৰ মধুপুৰ সত্ৰত কাইলৈৰ পৰা ৪ মাৰ্চলৈ শ্ৰীকৃষ্ণৰ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উত্তৰবংগৰ সত্ৰ আৰু নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে কাইলৈ সত্ৰত গোন্ধপৰ্ব অনুষ্ঠিত হ'ব। পৰহিলৈ গোসাঁইক দৌলত প্ৰতিষ্ঠা কৰাৰ লগতে দিনজোৰা ভাগৱত পাঠ আৰু নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। ৪ মাৰ্চৰ দিনা গোসাঁইক লৈ সমগ্ৰ মধুপুৰ অঞ্চল পৰিভ্ৰমণৰ কৰাৰ লগতে সেইদিনা সুঁৱেৰী পালন কৰা হ'ব। দৌল উৎসৱৰ সকলো কাৰ্যসূচীত উত্তৰবংগৰ সত্ৰ আৰু নামঘৰসমূহৰ ভকত-বৈষ্ণৱসকলক অংশগ্ৰহণ কৰিবলৈ মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ ভকত আৰু সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক ডাঃ কেশৱ চন্দ্ৰ দাসে আহ্বান জনাইছে।

ooooo

শাসকীয় বিজেপিয়ে ৰাজ্যত আৰম্ভ কৰা জন আশীৰ্বাদ যাত্ৰাৰ আজি জাগীৰোডৰ পৰা আৰম্ভ হোৱা দ্বিতীয়দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। জাগীৰোডত বৃহৎ সংখ্যক লোকৰ অংশগ্ৰহণেৰে ভিন ভিন জাতি জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য-গীতেৰে এই কাৰ্যসূচী অনুষ্ঠিত হয়। জাগীৰোডৰ পৰা মুখ্যমন্ত্ৰীগৰাকী বৃহৎ মটৰ চাইকেল সমদলেৰে মৰিগাঁৱৰ দিশে অগ্ৰসৰ হয়। বাৰপূজীয়া, ৰহা, নগাওঁ আৰু পুৰণিগুদামত উপস্থিত হোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বঢ়মপুৰত জন আশীৰ্বাদ যাত্ৰাৰ আজিৰ দিনটোৰ কাৰ্যসূচীৰ অন্ত পেলাব।

অসম প্ৰদেশ কংগ্ৰেছেও নাহৰকটীয়াত আজি সময় পৰিৱৰ্তন যাত্ৰা কাৰ্যসূচী অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ, বিধায়ক দেৱব্ৰত শইকীয়াৰ লগতে বহু কেইগৰাকী জ্যেষ্ঠ কংগ্ৰেছী নেতাই অংশগ্ৰহণ কৰে।

০০০০০

ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে আসন্ন বিধানসভা নিৰ্বাচনত শিৱসাগৰ সমষ্টিৰ পৰা পুনৰ প্ৰতিদ্বন্দিতা কৰাৰ বিষয়ে নিশ্চিত কৰিছে। পূৰ্বৰ পৰা প্ৰতিনিধিত্ব কৰি থকা সমষ্টিটোত প্ৰচাৰ অভিযান আৰম্ভ কৰি তেওঁ লগতে কয় যে কংগ্ৰেছৰ সৈতে তেওঁৰ দলৰ আলোচনা সঠিক দিশত আগবাঢ়িছে। মিত্ৰতাৰ বিষয়টো আজি নিশা বাৰ বজাৰ ভিতৰত স্পষ্ট হ'ব বুলিও বিধায়ক তথা ৰাইজৰ দলৰ নেতাগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে। শিৱসাগৰৰ পৰা আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে, দল দুটাৰ মাজৰ মিত্ৰতাৰ সমীকৰণ মিলিলে কংগ্ৰেছ দলে সমষ্টিটো ৰাইজৰ দলক এৰি দিয়াৰ সম্ভাৱনা আছে।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ভাৰত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ হ'লে এই খেলখনত জয়লাভ কৰিবই লাগিব। ইপিনে দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত ছুপাৰ এইট পৰ্যায়ৰ আন এখন খেলত দক্ষিণ আফ্ৰিকা -জিম্বাব'ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত প্ৰথমে বেট ধৰি জিম্বাব'ৱেই নিৰ্ধাৰিত অভাৰত ৭ টা উইকেট হেৰুৱাই ১৫৩ ৰান সংগ্ৰহ কৰে।

০০০০০

কোকৰাঝাৰ জিলাত আজি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই দুটা গুৰুত্বপূৰ্ণ ভূমি সংৰক্ষণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে বৰ্শিঝাৰা ভি চি ডি চিৰ অধীনৰ এলেকাত ২৯ লাখ ৬০ হাজাৰ টকা ব্যয়সাপেক্ষ বৰোবিল ভূমি উন্নয়ন প্ৰকল্প আৰু টুৰিবাৰী গাঁৱত ৬৬ লাখ টকা ব্যয়সাপেক্ষ ভূমি সংৰক্ষণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে খহনীয়া ৰোধ কৰাকে ধৰি ভূমি সংৰক্ষণৰ বিভিন্ন ক্ষেত্ৰত এই প্ৰকল্পসমূহে সহায় কৰাৰ লগতে কৃষকসকলক জীৱিকা অৰ্জনত সহায় কৰিব বুলি মন্তব্য কৰে।

০০০০০

সমাপ্ত